**2014**

# ASSAMESE

## (MODERN INDIAN LANGUAGE)

*Full Marks : 100*

*Pass Marks : 30*

Time : Three hours

*The figures in the margin indicate full marks for the questions.*

*( ২০১২ আৰু তাৰ পূৰ্বৰ পঞ্জীয়ণভুক্ত HSLC পৰীক্ষাৰ্থীৰ বাবে )*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP–A** (ক-বিভাগ) আৰু **GROUP–B** (খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব

অথবা

**GROUP–A** (ক-বিভাগ) আৰু **GROUP–C** (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

## GROUP–A (ক-বিভাগ)

মূল্যাংক : ৭৫

। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা —

(ক) "মনুষ্য জীৱন গজন বা পশু জীৱনৰ নিচিনা নহয়, মনুষ্য বহুত বিষয়ত স্বাধীন" কেনে বিষয়ত মানুহৰ জীৱন স্বাধীন 'মনুষ্য জীৱনৰ লক্ষ্য' পাঠটিৰ আধাৰত বুজাই লিখা।

(খ) 'পালোঁ। পালোঁ। এইজনী ছোৱালীকে মই বিচাৰি ফুৰিছোঁ।'

— ইয়াত কোনে, কোনজনী ছোৱালী বিচাৰি পোৱাৰ কথা কৈছে — চমুকৈ বুজাই লিখা।

(গ) 'শত্ৰুভাৱে আহিছে। ৰুচিনাথ।।'

— সংলাপটিৰ বক্তা কোন? ৰুচিনাথ কি শত্ৰুভাৱত আহিছে চমুকৈ বুজাই লিখা।

২। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৪

(ক) আহোমসকলৰ ৰাজত্বকালত ৰচিত শাক্ত সাহিত্যৰ বিষয়ে 'অসমীয়া সাহিত্যৰ তিনিটা ধাৰা' পাঠৰ সহায়ত বুজাই লিখা।

(খ) "দেখা যায় সকলোৱে বান্ধি থোৱা এনাজৰীডাল আছিল অসমীয়া ভাষা" — কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।



৩। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা —

(ক) মঞ্চনাটৰ ক্ষেত্ৰত অভিনেতাৰ ভূমিকা কেনেধৰণৰ —

— পাঠৰ আধাৰত বুজাই লিখা।

(খ) অসমৰ কাঁহ শিল্পৰ ঐতিহ্য আৰু পৰম্পৰাৰ এটি আভাস দিয়া।

৪। তলৰ প্ৰতিটো প্ৰশ্নৰ চমু উত্তৰ লিখা —

(ক) "আপোনালোকে যাকে ভাল দেখে মোৰ আপত্তি নাই"

— কথাষাৰ কোনে, কি প্ৰসংগত কৈছিল বুজাই লিখা।

*নাইবা*

'ৰাজশক্তি আজি বলহীন' — কোনে, কেতিয়া কথাষাৰ কৈছিল?

(খ) অসমৰ পুৰণি সাহিত্যৰ সমলসমূহ কি কি?

*নাইবা*

চাহ বনুৱাসকলৰ অসমৰ সামাজিক জীৱনত অৰিহনা কেনেধৰণৰ?

(গ) আহোম ৰজাসকলে ভাত খাবলৈ কাঁহৰ কি কি পাত্ৰ ব্যৱহাৰ কৰিছিল?

(ঘ) 'ভ্ৰমণ জীৱ' আৰু 'গজন জীৱ' কাক বোলে?

(ঙ) "মঞ্চাভিনয় আৰু চিত্ৰাভিনয়ৰ মাজৰ পাৰ্থক্যসমূহ দুভাগত ভগাব পাৰি।"

ভাগ দুটা কি কি?

অতি চমুকৈ উত্তৰ লিখা — ১×৩=৩

(ক) কইনাৰ বৰ বায়েকৰ নাম কি আছিল?

(খ) ভগবান বুদ্ধই জনসাধাৰণৰ মাজত কি ভাষাত তেওঁৰ ধৰ্মবাণী প্ৰচাৰ কৰিছিল?

(গ) ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো?

তলৰ যি কোনো এটা কবিতাৰ সাৰাংশ লিখা — ৪

(ক) দেৱদাসী

(খ) মোৰ দেশ মানুহৰ দেশ

তলৰ যি কোনো এছোৱা প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা —

(ক) কাল মায়া কাম্পে যাৰ নাম সুমৰণে।
যশোৱাৰ ভয়ে তুমি কাম্পা কি কাৰণে।।

(খ) জড় জগতত জীৱ-জগতত
পাওঁ সকলোতে দেখা,
মহাবিশ্বজুৰি বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণ ৰেখা।



৮। তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ লিখা —

(ক) "ব্ৰহ্মা-হৰে আৰাধে যাহাৰ দুই পাৱে
সে তুমি লৱনু মাগা গোৱালীক ঠাৱে।"
ইয়াত কোনে, কাৰ, কি আৰাধনাৰ কথা কৈছে বুজাই লিখা।

*নাইবা*

"যিবিলাক ৰীতি-নীতি নৰৰ গঠিত
সকলোতে ভাবি চোৱা স্বাৰ্থ বিৰাজিত।"
কবিতাফাকিৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) "পবিত্ৰ অন্তৰ লৈ নোৱাৰিলোঁ সেৱিব চৰণ" —
দেৱদাসীয়ে পবিত্ৰ অন্তৰ লৈ সেৱিব নোৱৰাৰ কাৰণ কি?

*নাইবা*

"বাৰে বাৰে সাজিছে কাৰেং
বিশ্বসভ্যতাৰ।"
— কবিতাফাকিৰ জৰিয়তে কবিয়ে বিশ্বসভ্যতাৰ কাৰেং সজা বুলি কিহক বুজ
লিখা।

৯। 'জোৰোণ' *নাইবা* 'ওজাপালি'ৰ চমু পৰিচয় লিখা।

। তলৰ প্ৰশ্নকেইটাৰ অতি চমুকৈ উত্তৰ লিখা — ১×৩=৩

(ক) 'দেৱদাসী' কবিতাটিৰ কবিগৰাকীৰ নাম লিখা।

(খ) 'লহৰ' অথবা 'অশ্ৰুময়' শব্দটোৰ অৰ্থ লিখা।

(গ) ভাৰতবৰ্ষৰ দক্ষিণে কি আছে?

। তলত দিয়া যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা — ২×৫=১০

(ক) তলৰ যি কোনো দুটা শব্দত 'ণ' আৰু 'ষ' কি কাৰণে হৈছে, বুজাই লিখা।

তৃণ , বিষয় , প্ৰণাম , যুধিষ্ঠিৰ।

(খ) তলৰ যি কোনো দুটা শব্দৰ সন্ধি ভাঙা।

যথাৰ্থ , নমস্কাৰ , ৰাজৰ্ষি , বিদ্যালয়।

(গ) তলৰ যি কোনো দুটাৰ ব্যাস বাক্যসহ সমাসৰ নাম লিখা।

নৰৰত্ন , শূৰ্পণখা , চন্দ্ৰমুখ , গৃহস্থ।

(ঘ) তলৰ যি কোনো দুটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা।

আকাশ , ইহকাল , আৱাহন , টান।

(ঙ) তলৰ যি কোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা।

উখল-মাখল , জাকত-জিলিকা , আশা-ভৰসা , মন বান্ধ খা।

(চ) তলৰ যি কোনো দুটা শব্দৰ সমাৰ্থক শব্দ লিখা

গছ , ধৰা , আকাশ , অগ্নি।



(ছ) তলৰ যি কোনো দুটাক এটা শব্দত প্ৰকাশ কৰা।

যাক পৰিহাৰ কৰিব নোৱাৰি, যিজনে ইন্দ্ৰিয় জয় কৰিব পাৰে, যাৰ কোনো নাই, কঁঠালৰ সৰু কলি।

(জ) যথাস্থানত যতি চিহ্ন বহুওৱা।

হে ভগৱান মই বিপদত পৰিছোঁ মোক ৰক্ষা কৰা।

(ঝ) তলৰ সৰল বাক্য দুটি এটি মিশ্ৰ বাক্যলৈ পৰিবৰ্তন কৰা।

বুঢ়া মানুহজন দোকানলৈ আহিছিল। তেওঁ এডাল লাখুটি কিনিছিল।

১২। (ক) ভাৱ সম্প্ৰসাৰণ কৰা —

ৰাইজে নখ জোকাৰিলে নৈ বয়।

*নাইবা*

(খ) শিক্ষান্ত পৰীক্ষাৰ আগত তুমি বাস কৰা এলেকাত সঘনাই বিদ্যুৎ কৰ্তনৰ বাবে অসুবিধাৰ কথা জনাই, বৰ্তমান সময়ত বিদ্যুৎ কৰ্তন নকৰিবলৈ বিভাগীয় কৰ্তৃ এখন আবেদন পত্ৰ লিখা।

*(আবেদনত তোমাৰ নাম-ঠিকনা নিলিখিবা)*

১৩। তলত দিয়া যি কোনো এটা বিষয় লৈ এখনি ৰচনা লিখা।

(ক) তোমাৰ প্ৰিয় সাহিত্যিক।

(আৰম্ভণি — চমু পৰিচয় — ৰচনাৰাজিৰ আভাস — প্ৰিয় হোৱাৰ কাৰ সামৰণি)

(খ) পুথিভঁৰাল

(আৰম্ভণি — বিভিন্ন প্ৰকাৰ — পুথিভঁৰালৰ আৱশ্যকতা — সামৰণি।)

(গ) বিজ্ঞানৰ অৱদান।

(আৰম্ভণি — বৈজ্ঞানিক আৱিষ্কাৰ — অৱদান — সামৰণি)

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা — ২×২=৪

(ক) "আমাৰ বংশত নোহোৱা-নোপোজা ঘটনাটো কেনেকৈ হ'ল জানো?" — কথাষাৰৰ বক্তা কোন? তেওঁ ইয়াত কি নোহোৱা-নোপোজা ঘটনাৰ কথা কৈছে?

(খ) "তুমি গাৱঁৰ কথাবোৰ মোক কোৱাই নাই নহয়" — প্ৰেৰণাই গাঁৱৰ কি কথাবোৰ শুনিবলৈ তেনেদৰে কৈছিল — চমুকৈ লিখা।

(গ) "মাক এইবাৰ স্তম্ভিত হোৱাৰ পাল" — ইয়াত স্তম্ভিত হ'ব লগা পৰিস্থিতিটো কি আছিল চমুকৈ বুজাই লিখা।

১৫। তলৰ যি কোনো দুটা চৰিত্ৰৰ চমু পৰিচয় দিয়া — ২×২=৪

(ক) আইতা

(খ) প্ৰশান্ত

(গ) ভদ্ৰ

(ঘ) সৌৰভ



GROUP-B (খ-বিভাগ)

মূল্যাংক : ২৫

১৬। (ক) মোমাই তামুলী বৰবৰুৱাক ৰজাই কিয় এবছৰ বন্দীশালত থৈছিল। সকলো ব বিৱৰি লিখা।

*নাইবা*

(খ) 'তহত ভাৰ্যা পুত্ৰ দোষ পাপ ল চাৱি গৃহ সোমাব নিদিব'
— শংকৰদেৱে এই কথাখিনি কি প্ৰসংগত কৈছিল, বুজাই লিখা।

১৭। অতি চমুকৈ উত্তৰ লিখা ঃ (যি কোনো তিনিটাৰ)

(ক) স্বৰ্গদেৱলৈ দিয়া কোচৰজাৰ কন্যাগৰাকীৰ নাম কি?

(খ) শংকৰদেৱে তেঁওৰ গুৰু কোন বুলি কৈছিল?

(গ) গণককুচিৰ গৃহৰ আগত কোনে খেতি কৰিছিল?

(ঘ) স্বৰ্গদেৱে পোতা চিয়ঁবীবোৰ কোনে গুচাইছিল?

(ঙ) ব্যাধে ফান্দ পাতি কি ধৰিছিল?

১৮। মহাৰাজ প্ৰতাপসিংহই আহোম কটকীৰ ঠাইত কি কাৰণে বামুণ কটকীক নিয়োগ কৰিে লিখা।

১৯। 'চিত্রকূট বৰ্ণন'ত উল্লেখ কৰা ফুল-ফলৰ বৰ্ণনা এটি লিখা। ৩

*নাইবা*

"তথাপি তোহাক দেখন্তে ডৰত

উৰি যায় মোৰ জীউ।"

— এইযাৰ কাৰ উক্তি? কাক দেখি তেওঁৰ ভয়তে জীউ উৰি যায় বুজাই লিখা।

২০। কৃষ্ণই বিভিন্ন সময়ত কি কি অৱতাৰ ধাৰণ কৰি কেনে কাৰ্য সাধন কৰিছিল চমুকৈ বুজাই লিখা। ৩

২১। তলৰ যি কোনো দুটা শব্দৰ অৰ্থ লিখা। ১×২=২

তমাল, আশেষ, বিগুটিয়া, তাসম্বাক।

২২। তলৰ যি কোনো এটা অশুদ্ধ বাক্য শুধৰাই লিখা। ১

(ক) আজি বাৰটা বজাত পৰীক্ষা শেষ হ'ব।

(খ) সি কলিকতাত যাব।

২৩। তলৰ প্ৰশ্ন দুটাৰ উত্তৰ লিখা। ১×২=২

(ক) 'অপ-' উপসৰ্গ যুক্ত হোৱা দুটা শব্দ লিখা।

(খ) 'চোন' অনুসৰ্গৰ প্ৰয়োগ দেখুৱাই এটি বাক্য লিখা।



২৪। সমাৰ্থক শব্দ লিখা (যি কোনো এটা)।

(ক) পীড়া

(খ) পক্ষী

২৫। তলত দিয়া শব্দবোৰৰ আধুনিক ৰূপ লিখা (যি কোনো এটা)।

(ক) খেড়ি

(খ) সুমৰন্তে

(গ) বিগুটিয়া

২৬। যি কেনো দুটাৰ চমুটোকা লিখা ঃ

(ক) পদ

(খ) লেচাৰি

(গ) ছবি

(ঘ) ঝুমুৰা।

## GROUP–C (গ –বিভাগ)

## (SANSKRIT)

মূল্যাংক : 25

*( ২০১২ আৰু তাৰ পূৰ্বৰ পঞ্জীয়ণভুক্ত HSLC পৰীক্ষাৰ্থীৰ বাবে )*

1. Translate **any two** of the following to your mother language : 4×2=8

তলৰ যি কোনো দুটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

*(a)* लाचित: मातुलं बिलम्बस्य कारणम् अपृच्छत्। मातुल: अवदत् — 'भो भागिनेय! एते मम मानुषा: अतीव परिश्रान्ता:, क्षणं विश्रम्य ते पुन निर्माणकर्म करिष्यन्ति एव' इति।

*(b)* कदाचित् कस्यापि वृद्धशशकस्य वार: समायात:। तत: सोऽचिन्तयत्–मन्दं मन्दमुपगच्छामि। तत: सिंहोऽपि क्षुधापीडित: कोपात् तमुवाच — कुतस्त्वं विलम्बादागतोऽसि ?

*(c)* राजन्! शरणागत: अस्मि ते, परित्रायस्व मां श्येनात्। अथ श्येन: अपि राज्ञ: पुरत: अपतत्। स अपि–राजन्। मुञ्च मुञ्च क्षुधातुरस्य मे भक्ष्यं समर्पयस्व इति प्रोच्चै: अवदत्।

2. Answer **any one** of the following : 3

তলৰ যি কোনো এটাৰ উত্তৰ লিখাঁ :

*(a)* What are the six vices a man should avoid ?

মানুহে পৰিহাৰ কৰিবলগীয়া ছটা দোষ কি কি?



*(b)* Quote from memory a verse from your text showing the of unity.

একতাৰ গুৰুত্ব সম্পৰ্কে উল্লেখ থকা তোমাৰ পাঠ্যপুথিৰ পৰা এটি লিখাঁ।

3. Answer **any one** of the following questions :

তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* अरे दुर्विनीते! कुत्र पलायित: ते पति: तत् वद।

Who is addressed as 'दुर्विनीते' and who is referred to as 'प

ইয়াত 'दुर्विनीते' বুলি কাক সম্বোধন কৰা হৈছে আৰু 'पति' বুলি কা হৈছে?

*(b)* What reply Puru gave to Alexander ?

পুৰুৱে আলেকজেণ্ডাৰক কি উত্তৰ দিছিল?

*(c)* "राजन्! मुञ्च मुञ्च क्षुधातुरस्य मे भक्ष्यं समर्पयस्व" इति प्रोच्चै: अवदत्।

Who uttered these words ? Who is addressed as 'राजन्' ?

এই কথাখিনি কোনে কৈছিল? ইয়াত 'राजन्' বুলি কাক সম্বোধন কৰা হৈছে

4. Fill in the blanks in the following verse with appropriate words :

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰাঁ :

उद्योगिनं पुरुषसिंहमुपैति ____ ।
दैवेन देयमिति ____ बदन्ति ॥

Or / অথবা

वरमेको ____ पुत्रो न च मूर्खशतैरपि।
एकश्चन्द्रस्तमो ____ न च तारागणैरपि॥

5. *(a)* Derive **any two** of the following words : 1×2=2

তলৰ যি কোনো দুটা পদৰ ব্যুৎপত্তি লিখা ঃ

*(i)* विश्रम्य in Q. No. 1*(a)*

1 নং *(a)* প্ৰশ্নত।

*(ii)* उवाच in Q. No. 1*(b)*

1 নং *(b)* প্ৰশ্নত।

*(iii)* परित्रायस्व in Q. No. 1*(c)*

1 নং *(c)* প্ৰশ্নত।

*(iv)* उपैति in Q. No. 4

4 নং প্ৰশ্নত।

*(b)* Decline **any two** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ শব্দৰূপ লিখাঁ :

*(i)* युष्मद् in 5th case-ending singular.

युष्मद् পঞ্চমী বিভক্তিৰ একবচনত।

*(ii)* लता in 7th case-ending plural.

लता সপ্তমী বিভক্তিৰ বহুবচনত।



*(iii)* श्री in 3rd case-ending singular.

श्री তৃতীয়া বিভক্তিৰ একবচনত।

*(iv)* मातृ in 7th case-ending singular.

मातृ সপ্তমী বিভক্তিৰ একবচনত।

*(c)* Conjugate **any two** of the following :

তলৰ যি কোনো দুটাৰ ধাতুৰূপ লিখাঁ :

√पठ् + लोट् हि ; √भू + विधिलिङ् स्यात् ; √हन् + लोट् हि ; √श्रु +

*(d)* Frame adjectives from **any two** of the following nouns :

তলৰ যি কোনো দুটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ ঃ

वनम् ; भूमिः ; अधुना ; शिशुः।

—×—